# টেলিগ্ৰাম – স্মৃতি আৰু অভিজ্ঞতা

এসময়ত সৰ্বসাধাৰণ মানুহৰ বাবে আটাইতকৈ দ্ৰুতগতিতে বাতৰি পঠোৱাৰ একমাত্ৰ উপায় আছিল টেলিগ্ৰাম। মই ইয়াত 'সৰ্বসাধাৰণ' শব্দৰ দ্বাৰা ঘৰত টেলিফোন নথকা মানুহৰ কথাকে বুজাইছো। এনে এটা সময় আছিল যেতিয়া মুষ্টিমেয় দুই এঘৰৰ বাহিৰে কাৰো ঘৰতে টেলিফোন নাছিল। গতিকে জন্ম, মৃত্যুকে ধৰি যিকোনো অতি জৰুৰী বাতৰি টেলিগ্ৰামৰ যোগেৰেই প্ৰেৰণ কৰা হৈছিল। কিন্তু কালৰ গতিত এনেহেন প্ৰয়োজনীয় সেৱা আওপুৰণি বুলি গণ্য হোৱাত ২০১৩ চনৰ ১৫ জুলাই তাৰিখে আমাৰ কেন্দ্ৰীয় চৰকাৰে আনুষ্ঠানিকভাৱে বন্ধ কৰি দিলে। অৱশ্যে তাৰো কেইবাবছৰো আগৰে পৰাই ই প্ৰায় অপ্ৰচলিত হৈ পৰিছিল। চৰকাৰৰ এই সিদ্ধান্তৰ পিছত ভাৰতবৰ্ষত টেলিগ্ৰামৰ ১৬০ বছৰীয়া ইতিহাসৰ অন্ত পৰিল।

টেলিগ্ৰাম শব্দটো গ্ৰীক ভাষাৰ পৰা অহা – ইয়াৰ অৰ্থ হৈছে দূৰৰ লেখা। যিহেতু দূৰৰ বাতৰি তাঁৰ যোগেৰে প্ৰেৰণ কৰা হৈছিল সেয়ে প্ৰায়বোৰ ভাৰতীয় ভাষাতে টেলিগ্ৰাম বুজাবলৈ 'তাঁৰ'ৰ সমানাৰ্থক শব্দ ব্যৱহাৰ কৰা হয়। এসময়ত সেয়ে ডাক বিভাগৰ নাম আছিল 'ডাক আৰু তাঁৰ বিভাগ' ।

'তাঁৰ' শব্দটো মনলৈ অহাৰ লগে লগে মোৰ এটা আমোদজনক কাহিনী মনত পৰিছে। আমাৰ ককায়ে হেনো জেঠাই পেহীহঁত সৰু থাকোতে এদিন পুৱা ফুৰাবলৈ লৈ যাওতে টেলিগ্ৰাফৰ তাঁৰবোৰ দেখুৱাই টেলিগ্ৰাম যে সেই তাঁৰৰ মাধ্যমেৰে আহে সেই কথা বুজাইছিল। তেতিয়া হেনো ডাঙৰ পেহীয়ে সুধিছিলে টেলিগ্ৰাম এখন প্ৰেৰকে ওপৰলৈ উঠি তাঁৰত বান্ধি দিয়াৰ পিছত তাঁৰতে ওলমি ওলমি প্ৰেৰিতৰ ওচৰ পায়হি নেকি। আমাৰ ককায়ে হেনো সেইদিনাই পেহীহঁতক টেলিগ্ৰাফৰ অফিচলৈ লৈ গৈ Morse Code ব্যৱহাৰ কৰাৰ পদ্ধতিৰ লগত পৰিচয় কৰাই দিছিল।

টেলিগ্ৰাফৰ সৃষ্টি বহুত আগতেই হৈছিল যদি Morse নামৰ এজন ব্যক্তিয়ে এই ব্যৱস্থা অনেক উন্নত আৰু বিজ্ঞানসন্মত কৰি তোলাৰ বাবে সাংকেতিক চিহ্ন যোগে বাতৰি পঠোৱাৰ এই পদ্ধতিক Morse Code বোলা হয়। প্ৰেৰকে এখন প্ৰপত্ৰত বাতৰিটো লিখি দিয়াৰ পিছত ডাকতাঁৰ বিভাগৰ কৰ্মীয়ে সংকেতৰ সহায়ত বাতৰিটো প্ৰেৰণ কৰে। উদাহৰণস্বৰূপে ওচৰাওচৰিকৈ দুটা বিন্দু থাকিলে ইংৰাজী A আখৰটো হয়। লক্ষস্থানৰ কৰ্মীয়ে এই সাংকেতিক চিহ্নবোৰ আখৰলৈ ৰূপান্তৰিত কৰি টাইপ কৰি গ্ৰাহকলৈ প্ৰেৰণ কৰে।

এই সমস্ত প্ৰক্ৰিয়াটোত জড়িত থকা বিভিন্ন ব্যক্তিৰ কোনোবা এজনে ভুল কৰিলে প্ৰেৰিত ব্যক্তিয়ে ভুল বাতৰি পায়। সেই বিষয়ে নানান আমোদজনক কাহিনী শুনিবলৈ পোৱা যায়। তাঁৰ সেৱা বন্ধ হোৱাৰ সময়ত খবৰ কাগজবোৰত প্ৰকাশ পোৱা লেখাবোৰৰ কোনোবা এটাত পঢ়িবলৈ পাইছিলো এখন ফ'নগ্ৰামৰ বিষয়ে। টেলিগ্ৰাম পঠাবলৈ অফিচলৈ নগৈ পঠাবলগীয়া বাণীটো ঘৰৰ পৰাই ফোন কৰি দিব পাৰি আৰু তাকে ফ'ন'গ্ৰাম বুলি কোৱা হৈছিল। এবাৰ এজন মানুহে তেখেতৰ পুত্ৰৰ হ'বলগীয়া উপনয়ন কিবা কাৰণত পিছুৱাব লগীয়া হোৱাত দূৰত থকা ভায়েকহঁতলৈ ফ'ন'গ্ৰাম কৰিবলৈ লৈ খোনাই খোনাই ক'লে 'Th-Th-thread ceremony postponed।' তাঁৰ বিভাগৰ কৰ্মীজনে শুনিলে 'Death ceremony postponed।' ফলস্বৰূপে মানুহজনে কাৰ মৃত্যু হৈছে জানিবলৈ ভালেমান টেলিগ্ৰাম পালে।

আমি বিয়াৰ পিছত দিল্লীৰ পৰা ইয়ালৈ অহাৰ প্ৰায় কেইমাহমানৰ পিছতে মোলৈ এখন টেলিগ্ৰাম আহিছিল। কোনোবা অঞ্জনায়াই কেইদিনমানৰ পিছত আমাৰ ঘৰত থকাকৈ অহাৰ বাতৰি দিল্লীৰ পৰা পঠাইছিল। অঞ্জনায়া নামৰ মোৰ কোনো চিনাকী মানুহ নথকাৰ বাবে বৰ বিমোৰত পৰিছিলো। মই সেই সময়ত ইয়াৰ Central Institute of Indian Languages ত এটা ফেল'শিপ পাই গৱেষণা কৰি আছিলো। কেইদিনমানৰ পিছত তাতে হ'বলগীয়া এখন কনফাৰেন্সত যোগদান দিবলগীয়া ব্যক্তিসকলৰ নাম তালিকাত দেখা পালো মোৰ দুই বান্ধবী জয়া আৰু অঞ্জনাৰ নাম। তেতিয়া গম পালো ভুলটো ক'ত হৈছিল। তেওঁলোকে অঞ্জনা, জয়া লিখাত ইয়াৰ অপাৰেটৰে দুয়োটা নাম একেলগ কৰি কৰ্ণাটকত সচৰাচৰ শুনিবলৈ পোৱা নাম অঞ্জনায়া কৰি পেলালে।

মই নিজে প্ৰথম আৰু শেষ টেলিগ্ৰামখন কেতিয়া আৰু কালৈ পঠাইছিলো মনত নাই কিন্তু মই দেখা প্ৰথমখন টেলিগ্ৰাম আৰু মোৰ নামত অহা শেষ টেলিগ্ৰামখনৰ কথা ভালদৰে মনত আছে। দুয়োখন টেলিগ্ৰামৰ লগতে দুখৰ কথা জড়িত হৈ আছে।

'টেলিগ্ৰাম' শব্দটো প্ৰথম শুনিবলৈ পোৱাৰ লগতে টেলিগ্ৰাম এখন প্ৰথমবাৰৰ বাবে দেখিবলৈ পাইছিলো ১৯৫৬ চনৰ ডিচেম্বৰ মাহত। টেলিগ্ৰামখনে ভেলোৰৰ পৰা কঢ়িয়াই আনিছিল আমাৰ সৰুককাৰ মৃত্যুৰ বাতৰি। সৰুককাৰ ৩ ডিচেম্বৰত মৃত্যু হৈছিল। গতিকে আমি হয়তো ৪ তাৰিখে টেলিগ্ৰামখন পাইছিলো। 'সৰুককা' মানে দেউতাৰ খুড়াক স্বৰ্গীয় বিদ্যাধৰ শৰ্মা। যোৰহাটৰ বিদ্যাধৰ শৰ্মা মেম'ৰিয়েল স্কুল তেখেতেই স্থাপন কৰিছিল। তেখেত এজন মুক্তিযোদ্ধা, লেখক আৰু কবিও আছিল। তেখেতৰ কাব্য 'অগ্নিশিখা' আজি কিছুদিনৰ আগতে পুনৰ প্ৰকাশিত হৈছে। অসুখত ভুগি থকা সৰুককাক বৰপুত্ৰ দিলীপ দাদা আৰু আন এজন খুড়া মহেশ ভট্টই ভেলোৰলৈ চিকিৎসাৰ বাবে লৈ গৈছিল। দেউতা সেই সময়ত ঘৰত নথকাৰ বাবে টেলিগ্ৰামখন

পঢ়াৰ দায়িত্ব মাৰ ওপৰতে পৰিছিল। সেইখন পঢ়ি মাৰ মুখখন কেহেঁৰাজ বটাৰ দৰে হ'ল – তাত থকা বাতৰি মায়ে ঠিকেই বুজি পাইছিল যদিও আইতাক কোৱাৰ জোখাৰে আত্মবিশ্বাস মাৰ নাছিল। তথাপিও কিবা এষাৰ কৈ দৌৰাদৌৰিকৈ কাপোৰ কাণি সলাই আমাৰ ঘৰৰ সন্মুখৰ চন্দ্ৰককাৰ ঘৰলৈ গ'ল। তেখেতৰ খুড়া গগন খুড়া (স্বৰ্গীয় গগণ শৰ্মা) ঘৰতে আছিল। তেখেতো মাৰ লগে লগে আমাৰ ঘৰলৈ আহি মায়ে যে টেলিগ্ৰামখন শুদ্ধকৈ পঢ়িছিল সেইকথা নিশ্চিত কৰিলে। আইতায়ে ততাতৈয়াকৈ ওচৰৰ দুগৰাকীমান মহিলাক লগত লৈ খবৰটো দিবলৈ সৰুককাহঁতৰ ঘৰলৈ গৈছিল।

মই জীৱণত পোৱা শেষ টেলিগ্ৰামখন আহিছিল কেন্দ্ৰীয় চৰকাৰৰ এটা বিভাগৰ পৰা। ২০০৩ চনতে চাকৰীৰ পৰা স্বেচ্ছাই অৱসৰ গ্ৰহণ কৰাৰ কিছু বছৰৰ আগতেই এটা ভাল চাকৰীৰ বাবে আৱেদন কৰিছিলো। কিবা কাৰণত চৰকাৰে সাক্ষাৎকাৰ স্থগিত ৰাখিছিলে আৰু ময়ো সেই বিষয়ে একেবাৰে পাহৰি গৈছিলো। কিন্তু ২০০5 কি ২০০৬ চনত মই আগতে চাকৰী কৰা প্ৰতিষ্ঠানৰ ঠিকনাত সাক্ষাৎকাৰলৈ মাতি সেই বিভাগৰ পৰা এখন টেলিগ্ৰাম আহিছিল। তাৰো কেইবাদিনৰ পিছত মোলৈ কোনোবাই ফোন কৰি জনাইছিল। কিয় নাজানো মই কথাটো গুৰুত্ব সহকাৰে নললো, তেতিয়ালৈ আমি মবাইল ফোন, ই-মেইল আদিত অত্যন্ত অভ্যস্ত হোৱাত টেলিগ্ৰামৰ গুৰুত্ব কমি আহিছিল, সেয়ে টেলিগ্ৰামখন খুলি কাৰোবাক পঢ়িবলৈ কোৱাৰ কথা বা খৰধৰকৈ গৈ সংগ্ৰহ কৰাৰ কথাও চিন্তা নকৰিলো। কেইদিনমানৰ পিছত সেইফালে কিবা কামত যাওঁতেহে সেইখন সংগ্ৰহ কৰিলো। সাক্ষাৎকাৰলৈ তেতিয়া মাজতে দুটানে এটা দিনহে আছিল। দিল্লীলৈ যাবলৈ কোনোমতেই সুবিধা কৰিব নোৱাৰিলো। যিজন মানুহক সেই চাকৰীৰ বাবে নিযুক্তি দিলে তেওঁতকৈ মোৰ অৰ্হতা বহুত বেছি আছিল। এনে এটা ভাল সুযোগ হেৰুওঁৱাৰ বাবে এতিয়াও কেতিয়াবা মনটো বেয়া লাগে।

এতিয়া আহোঁ মই দেখা দ্বিতীয়খন টেলিগ্ৰামৰ কথালৈ। টেলিগ্ৰামৰ বাতৰিতকৈয়ো বেলেগ এটা কাৰণতহে সেইখনৰ কথা বেছি ভালকৈ মনত আছে। সেইখন আহিছিল ১৯৬০ চনৰ ২ বা ৩ অক্টোবৰৰ দিনা তিতাবৰৰ পৰা। ২ অক্টোবৰৰ দিনা আমাৰ স্বৰ্গীয় খুড়াৰ প্ৰথম পুত্ৰ শংকু অৰ্থাৎ শংকৰৰ জন্ম হৈছিল তিতাবৰত। জন্মৰ বাতৰি জনাই খুড়ীৰ দেউতাকে টেলিগ্ৰামখন পঠাইছিল। বগলিয়ে খাপ পিতি মাছ ধৰিবলৈ ৰৈ থকাৰ দৰে মাৰ দোষ ধৰি মাক মানুহৰ আগত অপদস্থ কৰিবলৈ অহৰহ সাজু হৈ থকা আইতাৰ বাবে সেই টেলিগ্ৰামখন আছিল প্ৰায় ছমাহমানৰ আমোদৰ খোৰাক।

সেই টেলিগ্ৰামখনো দেউতা কামলৈ যোৱাৰ পিছত অহাৰ বাবে পঢ়াৰ দায়িত্ব মাৰ ওপৰতে পৰিছিল। মই তেতিয়া চতুৰ্থ শ্ৰেণীত পঢ়িছিলো আৰু ইংৰাজী শিকিছিলো যদিও

টেলিগ্ৰাম পঢ়িব পৰা হোৱা নাছিলো। কিন্তু টেলিগ্ৰামত থকা male child শব্দ দুটা ভালদৰে মনত আছে। মায়ে টেলিগ্ৰামখন পঢ়ি আইতাক ক'লে "অনু (খুড়ী)ৰ ল'ৰা এটা হৈছে।' কিন্তু অলপ পিছত মাৰ নিজৰ ওপৰত সন্দেহ হোৱাত ক'লে, 'অ নহয় নেকি – ছোৱালীয়ে হ'বলা' । আইতায়ে ক'লে, 'ছোৱালীহে হ'ল নেকি ? মোৰ ল'ৰাহে হ'ব যেন লাগিছিল।" মায়ে লৰালৰিকৈ শোৱাকোঠালৈ গৈ ইংৰাজী অসমীয়া অভিধানখন চাই আহি ক'লে যে male child মানে ল'ৰা – গতিকে ল'ৰাহে হৈছে। পিছে আইতায়ে মাৰ কথা বিশ্বাস নকৰি মাক আমাৰ ঘৰৰ সন্মুখৰ চন্দ্ৰককাৰ ঘৰলৈ পঠিয়ালে। চন্দ্ৰককাও মাৰ লগে লগে আমাৰ ঘৰলৈ আহি মায়ে প্ৰথমবাৰ আৰু তৃতীয়বাৰ কৰা ভাঙনি শুদ্ধ বুলি সাব্যস্ত কৰিলে। আইতায়ে কিন্তু লগে লগেই ক'লে, "মই ল'ৰা হ'ব বুলি জানিছিলোৱেই – তাই আক' কৈছে ছোৱালী বুলি। মই কৈছো ভালদৰে চা – ছোৱালী হবই নোৱাৰে – ল'ৰাহে।' মই তেতিয়া যথেষ্ট সৰু আছিলো যদিও আইতায়ে কথাৰ পাক তেনেদৰে লুটিয়াই দিয়াৰ কথা বুজি পাইছিলো আৰু বৰ আচৰিত হৈছিলো। সেয়াই আছিল আৰম্ভনি – তাৰ পিছত প্ৰায় ছমাহমানলৈকে আমাৰ ঘৰলৈ যিমান আলহী আহিছিল সকলোকে একেদৰেই কৈছিল।"

টেলিগ্ৰামৰ বিষয়ে আৰু বহুতো মনোৰঞ্জক কাহিনী আছে যদিও স্থানাভাৱত প্ৰকাশ কৰিব পৰা নাযাব।

কালক্ৰমে টেলিগ্ৰামৰ বিষয়ে সকলোৱে পাহৰি গ'লেও আৰু বৰ্ত্তমান প্ৰজন্মৰ লোকে কেতিয়াও টেলিগ্ৰাম দেখিবলৈ নাপালেও টেলিগ্ৰামৰ বিষয়ে চৰ্চা ভাষাবিজ্ঞানৰ এটা শাখা মনোভাষাবিজ্ঞান (psycholinguistics) ত কিন্তু আজীৱন অপৰিহাৰ্য্য হৈ থাকিব। শৈশৱত ভাষা আহৰণ কৰি থকা কালছোৱাত এটা বিশেষ পৰ্য্যায়ত শিশুৱে কোৱা ভাষাক telegraphic speech বুলি কোৱা হয়। Roger Brown নামৰ এজন পণ্ডিতে শিশুৰ ভাষাৰ ওপৰত গৱেষণা কৰি পাইছিল যে এটা পৰ্য্যায়ত শিশুৱে অৰ্থাত্মক বিশেষ কেতবোৰ শব্দহে ব্যৱহাৰ কৰে যিবোৰক ইংৰাজীত content word বোলা হয়। উদাহৰণ স্বৰূপে There is a palace in Mysore বাক্যটোত মাত্ৰ দুটাহে অৰ্থাত্মক শব্দ আছে – palace আৰু Mysore । মানুহে পইছা বচাবলৈ টেলিগ্ৰামৰ বাণী যিমান পাৰে সিমান কম শব্দত লিখিবলৈ চেষ্টা কৰে। উদাহৰণ স্বৰূপে 'Rupa is arriving tomorrow in the morning' বাণীটো প্ৰেৰকে চুটি কৰি 'Rupa arriving tomorrow morning' বুলিহে পঠাব। ঠিক সেইদৰেই এটি আঢ়ৈ বছৰীয়া শিশুৱে 'This is a red ball' বাক্যটো 'This red ball' বুলিহে ক'ব। সেয়ে Roger Brown এ শিশুৰ ভাষাক telegraphic speech বুলি আখ্যা দিছিল।

মই যেতিয়াই ক্লাছত telegraphic speech ৰ বিষয়ে ব্যাখ্যা কৰিবলগীয়া হয় তেতিয়া টেলিগ্ৰাম কি বস্তু আৰু আমি আগতে কিদৰে টেলিগ্ৰাম পঠাইছিলো এই গোটেই কথাখিনি ভাঙি পাতি ক'বলগীয়া হয়। অন্ততঃ যোৱা দহবছৰ মানৰ পৰা মন কৰি আহিছো যে কোনেও টেলিগ্ৰাম দেখা নাই।

গতিকে টেলিগ্ৰামে যে ভৱিষ্যতে সংগ্ৰহালয়তহে স্থান পাব তাত কোনো সন্দেহ নাই। ইতিমধ্যে হয়তো নমুনা ৰখা হৈছেই।